# অধিসূচনা
# ভাৰতীয় ৰিজাৰ্ভ বেংক

আৰ বি আই /২০০৭-২০০৮/২৬০
ডি পি এছ এছ নং ১৪০৫/০২-১০-০২/২০০৭-২০০৮

১০ মাৰ্চ, ২০০৮

অধ্যক্ষ/মুখ্য কাৰ্যবাহী বিষয়া
(আৰ আৰ বি আৰু অন্যান্য সকলো অনুসূচীভুক্ত বাণিজ্যিক বেংক)

মহাশয়,

**এ টি এম যোগে ধন উলিওৱা আৰু জমা ধনৰ পৰিমাণ অনুসন্ধানৰ বাবদ গ্ৰাহকে দিব লগা মাচুল**

সমগ্ৰ ভাৰতবৰ্ষতে সম্প্ৰতি বেংকৰ সৈতে গ্ৰাহকৰ লেন-দেন বিশেষকৈ জমা ধন উলিয়াই অনাৰ ক্ষেত্ৰত এ টি এম অৰ্থাৎ অটমেটিক টেলাৰ মেচিনে উল্লেখযোগ্যভাৱে গুৰুত্ব লাভ কৰিছে। বেংকসমূহে তেওঁলোকৰ লক্ষ্যৰ পৰিসৰ বৃদ্ধিৰ বাবে এ টি এমৰ যোগেদি বেংকৰ বিভিন্ন প্ৰকাৰৰ লেন-দেনৰ সুবিধা থাকিলেও ইয়াৰ প্ৰধান ব্যৱহাৰিক কাম হৈছে বেংকৰ নগদ ধন উলিওৱা আৰু জমা থকা ধনৰ পৰিমাণ সম্পৰ্কে অনুসন্ধান কৰা। ২০০৭ চনৰ ডিচেম্বৰ মাহৰ শেষলৈকে সমগ্ৰ ভাৰতবৰ্ষত এ টি এমৰ সংখ্যা আছিল ৩২,৩৪২ টা। বৃহৎ বেংকসমূহে শাখা বেংক গাঁথনি সৈতে সামঞ্জস্য ৰাখি অধিক সংখ্যক এ টি এম স্থাপন কৰিবলৈ লৈছে। বৃহৎ সংখ্যক গ্ৰাহকৰ সমাবেশ ঘটা স্থানসমূহতে সাধাৰণতে এ টি এম স্থাপনত বেংকে অগ্ৰাধিকাৰ দিয়ে। এ টি এমৰ ব্যৱহাৰ অধিক সম্প্ৰসাৰিত কৰাৰ উদ্দেশ্যে বেংকসমূহে আন্তঃবেক এ টি এম নেটৱৰ্ক গঢ়ি তোলাৰ বাবে অন্যান্য বেংকৰ সৈতে দ্বিপাক্ষিক অথবা বহুপাক্ষিক কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে।

(২) এ টি এম ব্যৱহাৰৰ বাবদ গ্ৰাহকে ভৰিবলগা মাচুলৰ পৰিমাণ বেংক অনুসৰি আৰু লেন-দেনৰ ক্ষেত্ৰত ব্যৱহৃত এ টি এম নেটৱৰ্ক অনুসৰি ভিন ভিন হোৱা দেখা যায়। ফলস্বৰূপে, বহু সময়ত এটা বেংকৰ গ্ৰাহকে আন এটা বেংকৰ এ টি এম ব্যৱহাৰ কৰোতে দিব লগা মাচুলৰ পৰিমাণ সম্পৰ্কে আগতীয়াকৈ একোকে নাজানে। ইয়াৰ ফলত আন বেংকৰ এ টি এম ব্যৱহাৰৰ

ক্ষেত্রত গ্ৰাহকসকল নিৰুৎসাহ হ’ব লগা হয়। সেয়েহে এনেবোৰ ক্ষেত্রত অধিক স্বচ্ছতা নিশ্চিত কৰাটো নিতান্তই প্ৰয়োজন।

(৩) আন্তঃৰাষ্ট্ৰীয় ক্ষেত্রত লাভ কৰা অভিজ্ঞতাই এই কথাকে সূচায় যে ইউনাইটেড কিংদম জাৰ্মানি আৰু ফ্ৰান্সৰ দৰে দেশসমূহত গ্ৰাহকসকলে দেশখনৰ সকলো এ টি এম বিনামূলীয়াকৈ ব্যৱহাৰ কৰিব পাৰে। অৱশ্যে হোৱাইট লেবেল এ টি এম আৰু অনা বেংকিং প্ৰতিষ্ঠানসমূহৰ দ্বাৰা পৰিচালিত এ টি এম সমূহ বিনামূলীয়া নহয়। ৰাজহুৱা নীতিৰ দৃষ্টিভংগীৰে এ টি এমৰ মাচুল গাঁঠনি নিয়ন্ত্ৰিত কৰাৰ বাবে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত এক প্ৰচেষ্টা আৰম্ভ হৈছে। এজন গ্ৰাহকে দেশখনৰ যি কোনো ঠাইত থকা এ টি এম বিনামূলীয়াকৈ ব্যৱহাৰ কৰিবলৈ পোৱা উচিত আৰু ইয়াৰ বাবে বেংকসমূহে সহযোগিতামূলকভাৱে উদ্যোগ গ্ৰহণ কৰা প্ৰয়োজন।

(৪) এই পৰিপ্ৰেক্ষিততে, ভাৰতীয় ৰিজাৰ্ভ বেংকে ইয়াৰ ৱেবচাইটত এক এপ্ৰ’চ্চ পেপাৰৰ যোগে ৰাইজৰ মতামত বিচাৰে। এই ক্ষেত্রত লাভ কৰা প্ৰতিপুষ্টি (feed back)ৰ ভিত্তিত সকলো বেংকে তলত দিয়া ধৰণেৰে সেৱা মাচুল গাঁঠনি ৰূপায়ন কৰিব:-

| ক্ৰমিক নং | সেৱা | মাচুল |
|---|---|---|
| (১) | যিকোনো কামৰ বাবে নিজৰ এ টি এম ব্যৱহাৰ | বিনামূলীয়া (তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ) |
| (২) | জমাধনৰ পৰিমাণ অনুসন্ধানৰ বাবে অন্য বেংকৰ এ টি এম ব্যৱহাৰ | বিনামূলীয়া (তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ) |
| (৩) | নগদ ধন উলিওৱাৰ বাবে আন বেংকৰ এ টি এম ব্যৱহাৰ | • কোনো বেংকে ২০০৭ চনৰ ২৩ ডিচেম্বৰত অৰ্থাৎ ভাৰতীয় ৰিজাৰ্ভ বেংকে ৱেবছাইটত এপ্ৰ’ছ পেপাৰ প্ৰকাশ কৰাৰ দিনটোত চলি থকা নিৰিখতকৈ মাচুল বৃদ্ধি কৰিব নোৱাৰিব।<br>• প্ৰতিটো লেন-দেনৰ বাবদ ২০ টকাৰ অধিক মাচুল আদায় কৰি থকা বেংকসমূহে ২০০৮ চনৰ ৩১ মাৰ্চৰ ভিতৰত প্ৰতিটো লেন-দেনৰ বাবদ সৰ্বাধিক ২০ টকালৈ হ্ৰাস কৰিব।<br>• ২০০৯ চনৰ ১ এপ্ৰিলৰ পৰা বিনামূলীয়া হ’ব। |

(৫) ওপৰত উল্লেখকৰা ১নং আৰু ২নং সেৱাৰ ক্ষেত্রত গ্ৰাহকৰ পৰা অন্য কোনো শিতানৰ অধীনত কোনো ধৰণৰ মাচুল আদায় কৰিব নোৱাৰিব আৰু এই সেৱা সম্পূৰ্ণ বিনামূলীয়া হ’ব।

(৬) ৩নং সেৱাৰ ক্ষেত্ৰত উল্লেখ কৰা ২০ টকা মাচুলৰ ভিতৰত সকলো ব্যয় অৰ্ন্তভূক্ত হ'ব আৰু (এ টি এমৰ পৰা) উলিওৱা ধনৰ পৰিমাণ নিৰ্বিশেষে গ্ৰাহকৰ ওপৰত অন্য কোনো মাচুল আৰোপ কৰিব নোৱাৰিব।

(৭) তলত উল্লেখকৰা ধৰণৰ নগদ ধন উলিওৱাৰ বাবদ সেৱা মাচুলৰ পৰিমাণ সংশ্লিষ্ট বেংকসমূহে নিজে ধাৰ্য্য কৰিব পাৰে।

(ক) ক্ৰেডিট কাৰ্ড ব্যৱহাৰ কৰি নগদ ধন উলিওৱা

(খ) বিদেশত অৱস্থিত এ টি এমত নগদ ধন উলিওৱা।

(৮) এই পৰিপত্ৰ (circular)ৰ প্ৰাপ্তি স্বীকাৰ কৰিব। এই বিষয়ত আপোনালোকৰ শাখাসমূহলৈ প্ৰেৰণ কৰা পৰিপত্ৰ (circular)ৰ এটি নকল অনুগ্ৰহ কৰি যথা সময়ত আমাক দাখিল কৰিব।

আপোনাৰ বিশ্বাসী

( অৰুণ পাশ্ৰিছা)
মহা প্ৰৱন্ধক